# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

১৪ সংখ্যা, ২৭ ফাগুন, বুধবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 214 । DIBRUGARH, WEDNESDAY, MARCH 12, 2025 । পৃষ্ঠা ১২+৪ (Pages


## কানৈ মহাবিদ্যালয়ত বাৰ্ষিক খেল সপ্তাহৰ মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত



জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১১ মাৰ্চ ঃ** অভিজ্ঞতাই জীৱনক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৯ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ ২ মাৰ্চৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমাৰ ডীন ডঃ সুৰজিত বৰকটকীয়ে এইদৰে কয়। ডঃ বৰকটকীয়ে কয়, 'উপলব্ধিয়ে পৰৱৰ্তী সময়ত জীৱনটোক আগুৱাই নিয়াত সহায় কৰে। জীৱনৰ ভাল-বেয়া উপলব্ধিয়ে সফলতা লাভ কৰাত সহায় কৰে।' ছাত্ৰী আবৃতা লীজা পাঠকে আঁত ধৰা অনুষ্ঠানটিত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়, প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলে জীৱনত এক নতুন অভিজ্ঞতা লাভ কৰাত সহায় কৰে আৰু জীৱনৰ উত্তৰণ ঘটোৱাত সহায় কৰে।

পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলে বাৰেবৰণীয়া এক বিশাল শোভাযাত্ৰাৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত তেওঁ কয়, 'ছাত্ৰ অৱস্থাত অধিক অভিজ্ঞতা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে, যি অভিজ্ঞতাই পৰৱৰ্তী সময়ত জীৱনটোক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কয়, 'সাম্প্ৰতিক সময়ত শিক্ষাৰ্থীসকলে প্ৰমাণপত্ৰ লাভ কৰাতকৈ দক্ষতা আহৰণৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। পৃথিৱীত বৰ্তমান দক্ষতা আহৰণ কৰা, দক্ষতা অৰ্জন কৰাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে।' প্ৰতিজন শিক্ষাৰ্থীয়ে জীৱনৰ প্ৰয়োজনীয় সকলো ক্ষেত্ৰতে দক্ষতা অৰ্জন কৰিব লাগে বুলি তেওঁ কয়। তেওঁ কয়, 'মহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহ কেৱল প্ৰতিযোগিতা নহয়, বৰঞ্চ সমন্বয় আৰু সম্প্ৰীতিৰ এক কাৰ্যসূচী।' অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ডঃ মৃদুল শৰ্মা, সমন্বয়ক ছাত্ৰ সম্পৰ্ক ডঃ জ্যোতি প্ৰসাদ ফুকন, অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ সভানেত্ৰী ডঃ চন্দনা গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে ৭৯ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত ক্ৰমে শ্ৰেষ্ঠ গায়কৰ বঁটা লাভ কৰিবলৈ সক্ষম হয় পৰিসংখ্যা বিভাগৰ ছাত্ৰী আকাংক্ষা প্ৰাপ্তিয়ে, শ্ৰেষ্ঠ বিভাগৰ বঁটা লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগে, শ্ৰেষ্ঠ নাট্যদল হিচাপে বিজয়ী হৈ বঁটা লাভ কৰে ৰুক্মিণী কানৈ ছাত্ৰী নিবাসে, শোভাযাত্ৰাত নৃতত্ত্ব বিভাগে শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে, শ্ৰেষ্ঠ শৃংখলাবদ্ধ বিভাগৰ সন্মান লাভ কৰে শিক্ষাতত্ত্ব বিভাগে, কুচকাৱাজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে অসমীয়া বিভাগে।

বিশ্বখন বাতি আছে। এনে ক্ষেত্ৰত, সকলোৱে এয়া উপলব্ধি কৰাৰ সময় আহি পৰিছে। ফুলনি শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মিনা নাথে সঞ্চালনা কৰা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদিকা কৃষ্ণা মেধি হাজৰিকাই। তাৰ পাছতে লেখিকা সমাৰোহ সমিতিৰ সভ্যাসকলৰদ্বাৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক স্মাৰক গীতটি পৰিৱেশন কৰি সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মুখ্য অতিথি মাজুলী জিলাৰ অতিৰিক্ত আয়ুক্ত সংগীতা বৰুৱাই কয়, পৃথিৱীৰ মহান মনীষীসকলৰ প্ৰেৰণাৰ উৎস হ'ল নাৰীসকল, আই-মাতৃসকল। সকলো মনীষীয়ে নাৰীক মৰ্যাদা প্ৰদান কৰি গৈছে যদিও সমাজৰ এচাম অসাধু লোকে এতিয়াও নাৰীক সন্মান কৰিব পৰা নাই। যাৰ বাবে নাৰীক পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰে। ইয়াৰ ফলত সমাজখন সুন্দৰ হোৱাৰ পৰা বঞ্চিত হৈ আছে।' সভাখনিত অনিমেশ শৰ্মাই এটি বৰগীত পৰিৱেশন কৰে। এই সভাখনত

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ



নিজা বাতৰি দিওঁতা

**টীয়ক, ১১ মাৰ্চ ঃ** ক্ৰীড়াৰ জড়িয়তে সমন্বয় গঢ়াৰ প্ৰয়াসেৰে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী মঞ্চৰ উদ্যোগত ১০ মাৰ্চত মহাবিদ্যালয়খনৰ টুনীৰাম কোঁৱৰ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে 'ক্ৰীড়াৰ দিন' উদ্‌যাপন কৰা হয়। এই 'ক্ৰীড়া দিন'ত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, ছাত্ৰ একতা সভা